মনোৰঞ্জন

‘৬১ বছৰত ভৰি দিলে বলীউডৰ বাদশ্বাহে’, জন্মদিনত মন্নতৰ বাহিৰত অনুৰাগীৰ ভিৰ

৬১ বছৰত ভৰি দিলে বলীউডৰ অভিনেতা শ্বাহৰুখ খানে। জন্মদিন উপলক্ষে মুম্বাইৰ মন্নতৰ বাহিৰত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অহা শ শ অনুৰাগীয়ে ভিৰ কৰে। একেদিনাই অভিনেতাগৰাকীয়ে আগন্তুক ছবি ‘King’ৰ প্ৰথমটো গীত ‘Tu Mil Jaaye’ মুকলি কৰে।

প্ৰকাশ: ২ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৫৬



(NewzNow)

মুম্বাই, ২ নৱেম্বৰ: ৬১ বছৰত ভৰি দিলে বলীউডৰ জনপ্ৰিয় অভিনেতা শ্বাহৰুখ খানে। সোমবাৰে (২ নৱেম্বৰ) অভিনেতাগৰাকীৰ জন্মদিন উপলক্ষে মুম্বাইৰ বান্দ্ৰাত থকা তেওঁৰ বাসগৃহ Mannatৰ বাহিৰত সমবেত হয় শ শ অনুৰাগী। দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অহা অনুৰাগীয়ে অভিনেতাগৰাকীৰ এজলক চাবলৈ ঘণ্টাৰ পাছত ঘণ্টা অপেক্ষা কৰে।জানিব পৰা মতে, কলকাতা আৰু নান্দেডৰ পৰাও অনুৰাগী আহি Mannatৰ বাহিৰত উপস্থিত হৈছিল।

জন্মদিন উপলক্ষে Mannatত শ্বাহৰুখ খানৰ আগন্তুক ছবি ‘King’ৰ দৃশ্য আৰু সংলাপৰ বৃহৎ প্ৰক্ষেপণ কৰা হয়। ‘King Akela Kaafi Hai’ আৰু ‘Darr Nahi, Dehshat Hoon’—এই সংলাপসমূহেও অনুৰাগীৰ মাজত বিশেষ চৰ্চা লাভ কৰে। ইয়াৰ পূৰ্বে মুম্বাইৰ Bandra-Worli Sea Linkতো অভিনেতাগৰাকীৰ ছবি আৰু

জন্মদিনৰ শুভেচ্ছাৰে পোহৰাই তোলা হৈছিল।

অনুৰাগীৰ ভিৰ নিয়ন্ত্রণ কৰিবলৈ Mannatৰ বাহিৰত Mumbai Policeৰ নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰা হয়। যান-বাহনৰ চলাচল নিয়ন্ত্রণৰ লগতে বাহন পৰীক্ষাও কৰা হয়।

ইফালে, জন্মদিনৰ দিনাই শ্বাহৰুখ খানে ‘King’ ছবিৰ প্রথমটো গীত ‘Tu Mil Jaaye’ মুকলি কৰে। গীতটোত দীপিকা পাডুকনৰ সৈতে দেখা গৈছে অভিনেতাগৰাকীক। অৰিজিৎ সিং আৰু মধুবন্তী বাগচীয়ে কণ্ঠদান কৰা গীতটোৰ সংগীত পৰিচালনা কৰিছে সচিন-জিগৰে। ছবিখন পৰিচালনা কৰিছে সিদ্ধার্থ আনন্দে। ২০২৬ চনৰ ২৪ ডিচেম্বৰত ছবিখন বিশ্বজুৰি ছবিগৃহত মুক্তি পোৱাৰ কথা।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/413/shah-rukh-khan-61st-birthday-mannat-king-song